**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JUNE-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা  কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইট sebaonline.org  ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে এইবাৰৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাত ৬৪ হাজাৰ ৫০গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০০

যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত কালি প্ৰথমবাৰৰ বাবে মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ লয়। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে প্ৰতিটো বিভাগৰে কাম-কাজৰ পুংখানুপুংখ খতিয়ান লোৱাৰ লগতে জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে সততা, নিষ্ঠা আৰু সতৰ্কতাৰে কৰ্তব্য পালন কৰিবলৈ নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত জিলা প্ৰশাসনৰ বিষয়বৰ্গৰ লগতে যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, টীয়ক সমষ্টিৰ বিধায়ক বিকাশ শইকীয়াই অংশগ্ৰহণ কৰে।

মন্ত্ৰী শ্ৰী তেলীয়ে লগতে চাহ বাগিচাৰ ভৱিষ্যনিধি আয়ুক্ত আৰু সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্যালয়ো পৰিদৰ্শন কৰে। চৰকাৰী কাৰ্যসূচীৰ অন্ত পৰাৰ পাছত ৰামেশ্বৰ তেলীয়ে ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলা কাৰ্যালয়ত দলটোৰ কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। এই অনুষ্ঠানতে যোৰহাট জিলাৰ বিষয়ববীয়াসকলে জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনায়।

০০০০০০

কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ সৌজন্যত কালি বিশ্বনাথ জিলাৰ বিহালী স্নাতক মহাবিদ্যালয়ত কাৰ্যক্ষমতা বৃদ্ধি আৰু ক্ষীপ্ৰকৰণ শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত বিহালী সমজিলাত থকা উদ্যোগীসকলক আত্মনিৰ্ভৰশীল কৰাৰ লগতে এই ক্ষেত্ৰত থকা বিভিন্ন চৰকাৰী আঁচনি, বেংকৰ সুবিধা, উৎপাদিত সামগ্ৰীৰ বিপণন আদি বিভিন্ন দিশ সামৰি বিশদভাৱে আলোচনা কৰা হয়। কৰ্মশালাত প্ৰায় শতাধিক উদ্যোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

কালি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। আজিৰেপৰা পৰহিলৈকে কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত কালিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হৈছে। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে। ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-

সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰয়াস কৰিছে।

অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভুতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

লখিমপুৰৰ চুকুলীভৰিয়াৰ ড০ ভূপেন হাজৰিকা টাউন হ'লত কালি প্ৰাকৃতিক কৃষি বিষয়ক এখন জিলা পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা অসম কৃষি বিশ্ববিদ্যালয়, লখিমপুৰ চৌহদৰ সহযোগত আয়োজিত এই আলোচনা চক্ৰত প্ৰায় এহেজাৰ গৰাকী কৃষক, কৃষি সখী, কৃষি উন্নয়ন বিষয়া আৰু কৃষি সম্প্ৰসাৰণ বিষয়া উপস্থিত থাকে। আলোচনাচক্ৰত অসম কৃষি বিশ্ববিদ্যালয়, কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি বিভাগৰ মুখ্য বিজ্ঞানী তথা সমল ব্যক্তিসকলে প্ৰাকৃতিক কৃষিৰ গুৰুত্ব আৰু সম্ভাৱনা সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০০০

ৰাজ্য চৰকাৰে ভাৰতীয় অসামৰিক সেৱা বিষয়া শিৱানী জেৰংগালক ডিব্ৰুগড় পৌৰ নিগমৰ নতুন আয়ুক্ত হিচাপে নিযুক্তি দিছে। পূৰ্বৰ আয়ুক্তগৰাকী জিলা আয়ুক্ত হিচাপে বদলি হৈ যোৱাৰেপৰা নভাছ দাসে ডিব্ৰুগড় পৌৰ নিগমৰ ভাৰপ্ৰাপ্ত আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

০০০০০০

অসম ফুটবল সন্থাৰ উদ্যোগত যোৱা ২০ আৰু ২১ জুনত অনুষ্ঠিত সকলো শ্ৰেণীৰ ফুটবল খেল পৰিচালকৰ চলিত বৰ্যৰ শাৰীৰিক সক্ষমতা পৰীক্ষাত লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ তিনিগৰাকী মহিলা পৰিচালকসহ মুঠ ১১ গৰাকী খেল পৰিচালক উত্তীৰ্ণ হৈছে। মহিলা ৰেফাৰী ক্ৰমে তনয়া দলে, ছয়নিকা বৰগোহাঁই আৰু ৰিকুমণি সোণোৱালৰ লগতে দীপাংকৰ ঢেকীয়াল ফুকন, গুণীন গগৈ, হেমন্ত মিঞ্জ আদি কেইবাগৰাকীও ৰাষ্ট্ৰীয় খেল পৰিচালক এই পৰীক্ষা উত্তীৰ্ণ হৈছে।

০০০০০০

**সমাপ্ত**